প্ৰকল্প প্ৰস্তুতৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল হৈ থাকে। উন্নয়নকামী প্ৰশাসনৰ ব্যৱস্থাটোক পৰিৱৰ্তনমুখী প্ৰশাসন ব্যৱস্থাও আখ্যা দিব পাৰি। পৰম্পৰাগত প্ৰশাসন ব্যৱস্থাসমূহ অনমনীয়তা, স্থিৰতা আৰু পদমৰ্যাদাৰ ওপৰত বিশ্বাসী। উন্নয়নকামী প্ৰশাসন ব্যৱস্থাটো গতিশীল; ই স্থিৰ নহয়। পৰিৱৰ্তনৰ কৌশলৰ জৰিয়তে প্ৰশাসন যন্ত্ৰটোক বাহ্যিক পৰিৱেশৰ লগত খাপ খুৱাই তোলা হয়। উন্নয়নকামী প্ৰশাসনৰ লক্ষ্য হ'ল এটা নতুন সামাজিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা যিটোত উন্নয়ন আৰু ন্যায় ব্যৱস্থাই সমান্তৰালভাৱে আগবাঢ়ে। গতিকে উন্নয়নকামী প্ৰশাসনে প্ৰশাসন ব্যৱস্থাৰ সংগঠিত পৰিৱৰ্তন, নিবনুৱা সমস্যা সমাধানৰ বাবে নতুন পৰিকল্পনা গ্ৰহণ, উদ্যোগ আৰু কৃষিখণ্ডৰ উৎপাদনৰ হাৰ বৃদ্ধি, দৰিদ্ৰতা নিৰ্মূল আদি দিশসমূহক সামৰি লয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই ভাৰতৰ প্ৰশাসন ব্যৱস্থাটোৱে ইলেক্ট্ৰনিক প্ৰশাসন বা চমুকৈ ই-প্ৰশাসনৰ আঁচনি গ্ৰহণ কৰিছে। ই-প্ৰশাসন যিকোনো সময়ত, যিকোনো স্থানত উপলব্ধতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ই-প্ৰশাসনৰ মুখ্য উদ্দেশ্য হ'ল চৰকাৰৰ সেৱাসমূহ জনসাধাৰণক 'অনলাইন' যোগে উপলব্ধ কৰোৱা। ই -প্ৰশাসন তথ্য আৰু গণসংযোগ প্ৰযুক্তিবিদ্যাৰ ওপৰত আধাৰিত এনে এক ব্যৱস্থা যিয়ে চৰকাৰ - নাগৰিক, চৰকাৰ- ব্যৱসায়ী, চৰকাৰ - চৰকাৰ, চৰকাৰ-কৰ্মচাৰীৰ মাজৰ সম্পৰ্ক স্থাপন কৰি প্ৰশাসন ব্যৱস্থা সুচল কৰি তোলে। ই-প্ৰশাসনৰ জৰিয়তে জনসাধাৰণে চৰকাৰী সেৱাসমূহ সুবিধাজনকভাৱে কম সময়ৰ ভিতৰতে লাভ কৰিব পাৰে।



২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন **১** ঃ দুটা সৰ্বভাৰতীয় সেৱাৰ নাম উল্লেখ কৰক।

প্ৰশ্ন **২** ঃ যিকোনো এটা ৰাজ্যিক সেৱাৰ নাম লিখক।

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন **১** ঃ ভাৰতৰ ৰাজহুৱা প্ৰশাসন ব্যৱস্থাৰ বৈশিষ্ট্য হিচাপে উন্নয়নকামী প্ৰশাসনৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন **২** ঃ ভাৰতৰ ৰাজহুৱা প্ৰশাসন ব্যৱস্থাৰ এটি বৈশিষ্ট্য গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ এটি আলোচনা দাঙি ধৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন **১** ঃ ৰাজহুৱা প্ৰশাসন ব্যৱস্থাটোৰ ছটা বৈশিষ্ট্য ফঁহিয়াই আলোচনা কৰক।

*** ***** ***